# ভাৰতীয় আদৰ্শত বৈৰাগ্য - তীৰ্থনাথ শৰ্মা

---

## অতি চমু প্ৰশ্ন - মূল্যাংকঃ ১

প্ৰশ্ন ১.ভাৰতীয় আদৰ্শত বৈৰাগৰ স্থান কেনেকুৱা ?

উত্তৰঃ ভাৰতীয় আদৰ্শত বৈৰাগৰ স্থান অতি উচ্চ, কিন্তু এই ত্যাগ নোহোৱাৰ নালাগে বোলা ত্যাগ আৰু নোপোৱাৰ অসন্তোষত ওপজা বৈৰাগ্য নহয় ।

প্ৰশ্ন ২.ভাৰতীয় সংস্কৃতিৰ মূল আধাৰ কি ?

উত্তৰঃ ভাৰতীয় সংস্কৃতিৰ মূল আধাৰ বেদ ।

প্ৰশ্ন ৩.কৰ্ম কৰা কৌশলক ভগৱদগীতাত কি যোগ বুলি কৈছে ?

উত্তৰঃ কৰ্ম কৰা কৌশলক ভগৱদ্গীতাত কৰ্মযোগ বুলি কৈছে ।

প্ৰশ্ন ৪. তীৰ্থনাথ শৰ্মাৰ কাব্যগ্ৰন্থখনৰ নাম কি ?

উত্তৰঃ তীৰ্থনাথ শৰ্মাৰ কাব্যগ্ৰন্থখনৰ নাম কাম সেন্দুৰ ।

প্ৰশ্ন ৫.তৈত্তিৰীয় উপনিষদৰ প্ৰথম উপদেশ কি?

উত্তৰঃ তৈত্তিৰীয় উপনিষদৰ প্ৰথম উপদেশ হৈছে সত্য আৰু ধৰ্ম ।

# চমু প্ৰশ্ন - মূলাংকঃ ২

প্ৰশ্ন ১.ভাৰতীয় আদৰ্শত বৈৰাগ্য পাঠটিত `সংবিভাজ্য' শব্দটিয়ে কি সূচাইছে?

উত্তৰঃ ভাৰতীয় আদৰ্শত বৈৰাগ্য পাঠটিত `সংবিভাজ্য' শব্দটিয়ে স্ব-উপাৰ্জিত ধন-সম্পদ কেনেকৈ সমানে বিতৰণ কৰিব বা দান কৰিব তাৰ উপদেশ দিছে। লগতে, কিভাৱে দান কৰিব লাগে সেই বিষয়ো তৰুণ বিদাৰ্থীক সোঁৱৰাই দিছে-

'শ্ৰদ্ধয়া দেয়ম্, অশ্ৰদ্ধয়া অদেয়ম্, শ্ৰিয়া দেয়ম্, হ্ৰিয়া দেয়ম্, ভিয়া দেয়ম্, সংৱিদা দেয়ম্।' অৰ্থাৎ শ্ৰদ্ধাৰে দান কৰিব লাগে, অশ্ৰদ্ধাযুক্ত মন লৈ 'নিদিলে নহয়' এনেভাৱে দান কৰা-নকৰা সমান। শ্ৰিয়া অৰ্থাৎ সামৰ্থ্য অনুসাৰে দিব লাগে। মোৰনো কি আছে, এতেকে নিদিওঁ এই ভাবি হাত সৰাতো উচিত নহয়। অথবা বহুত আছে কিন্তু অলপমান দি নামমাত্ৰ কৰাও নিন্দনীয়। সলজ্জভাৱে (হ্ৰিয়া) শাস্ত্ৰৰ প্ৰতি বা লোকৰ নিন্দাৰ ভয়ত মিত্ৰভাৱে (সংবিদা) প্ৰেম ভাবত দান দিব লাগে।

প্ৰশ্ন ২.'শ্ৰদ্ধয়া দেয়ম্' 'অশ্ৰদ্ধয়া অদেয়ম্' মানে কি ?

উত্তৰঃ 'শ্ৰদ্ধয়া দেয়ম' অশ্ৰদ্ধয়া অদেয়ম মানে শ্ৰদ্ধাৰে দান কৰিব লাগে, অশ্ৰদ্ধাযুক্ত মন লৈ 'নিদিলে নহয়' এনেভাৱে দান কৰা-নকৰা সমান।

প্ৰশ্ন ৩.প্ৰকৃত ত্যাগ মানে কি বুজা ?

উত্তৰঃ সংযতভাবে জীৱন যাপন কৰি প্ৰাপ্তিতো নিৰাসক্ত হৈ থকা বা সংবিভাজনৰ দ্বাৰা সমৃদ্ধিৰ সদগতি ঘটোৱায়েই হৈছে- প্ৰকৃত ত্যাগ। প্ৰকৃততে ত্যাগ হ'ল- থাকিও সংযতভাৱে ভোগ কৰা আৰু সংবিভাজনৰ দ্বাৰা সমৃদ্ধিৰ সদগতি ঘটোৱা।

প্ৰশ্ন ৪.ঈশোপনিষদত `ভূঞ্জীথাঃ' মানে কি বুজাইছে ?

উত্তৰঃ ঈশোপনিষদৰ প্ৰথম মন্ত্ৰটিত বিধিবাক্য আছে ‘ভুঞ্জীথাঃ’, নিষেধ বাক্য হ’ল `মা গৃধঃ’। ‘ভুঞ্জীথাঃ’ মানে ভোগ কৰা কিন্তু সাৱধান ত্যক্তেন-ত্যাগ কৰিহে ভোগ কৰিব লাগে । অৰ্থাৎ ঈশোপনিষদত `ভূঞ্জীথাঃ’ৰ মাধ্যমেৰে মানুহে কেনেদৰে ভোগ কৰিব তাৰ উপদেশ প্ৰদান কৰিছে ।

প্ৰশ্ন ৫.‘অতিথি দেবো ভৱ’ মানে কি ?

উত্তৰঃ ‘অতিথি দেবো ভৱ’ মানে অতিথিয়ে সমাজৰ দায়িত্বৰ কথা সূচায় আৰু অতিথিও দেৱতাৰ তুল্য । সেয়েহে, সংসাৰত প্ৰৱেশ কৰিব খোজা যুবকে বুজা উচিত যে তেওঁ নিজৰ কাৰণে ডাঙৰ হোৱা নাই, নিজৰ কাৰনেই ধন সম্পদ অৰ্জন কৰাৰ উপদেশ পোৱা নাই । নিজৰ কাৰণেও হয়, পৰিয়ালবৰ্গৰ কাৰণেও হয়, কিন্তু আচাৰ্য আৰু অতিথিয়ে প্ৰতিনিধিত্ব কৰা সমাজখনৰ কাৰণে তেওঁৰ আৰ্জন অপিৰ্ত কৰিব লাগে ।

## দীঘলীয়া প্ৰশ্ন - মূল্যাংকঃ ৩

প্ৰশ্ন ১.‘ভাৰতীয় সংস্কৃতিৰ মূলাধাৰ বেদ’ –কথাষাৰ বহলাই লিখা ।

উত্তৰঃ পৃথিৱীৰ ভিন ভিন জাতিসমূহ নিদিষ্ট আদৰ্শৰ মাজেৰে স্বকীয় সংস্কৃতি গঢ় লৈ উঠিছে । ভাৰতীয় সভ্যতা সংস্কৃতিৰো স্বকীয় আদৰ্শ আছে । এই আদৰ্শ বেদক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে । বেদ হৈছে বহু শতিকা বিয়পি থকা এক বিশাল সাহিত্যৰ সূচক । সকলো কৰ্মৰ মীমাংসা আৰু সকলো জ্ঞানৰ পৰিণতি আছে এই বেদত । ঋক্, যজুঃ, সাম আৰু অথৰ্ব- এই চাৰিখন বেদত আছে জীৱন-যাপনৰ বিবিধ প্ৰণালী ।

কৰ্মই হৈছে জীৱনৰ মূল ধৰ্ম । বেদৰ অন্তিম অংশ বেদান্তত বা উপনিষদত কৰ্ম কৰাৰ কৌশল বা মনোধৰ্মৰ কৰ্ষন কৰাৰ উপদেশ আছে । ত্যাগ, বৈৰাগ্য, সত্য, ধৰ্ম আদি কৰ্মৰ কৌশল বা মনোধৰ্মসমূহৰ কৰ্ষনে জীৱনাদৰ্শত ব্ৰতি হবলৈ শিক্ষা দিয়ে । অতীতত গাৰ্হস্থ্য জীৱনত প্ৰবেশ কৰিব খোজা বিদ্যাৰ্থীক এনে আদৰ্শ কৰ্ষনৰ শিক্ষা গুৰুৱে দিছিল

আৰু আৰ্জিত এই আদৰ্শ অনুকৰণ কৰিবলৈ শিক্ষাৰ্থীক উপদেশ দিয়া হৈছিল। এনেদৰে বেদৰ কৰ্ম সংস্কৃতিয়ে যুগে যুগে ভাৰতীয় সভ্যতা ঠন ধৰি উঠাত সহায় কৰি আহিছে। লেখকে সেয়েহে বেদক ভাৰতীয় সভ্যতা-সংস্কৃতিৰ মূল উৎস বুলি কৈছে।

প্ৰশ্ন ২. চাৰি আশ্ৰম বুলিলে কি বুজা?

উত্তৰঃ ভাৰতীয় আদৰ্শত জীৱনৰ চাৰিটা স্তৰৰ কথা উল্লেখ কৰা হৈছে। এই স্তৰ চাৰিটাকে চাৰি আশ্ৰম বুলি কোৱা হয়। এই চাৰি আশ্ৰম হৈছে –ব্ৰহ্মচৰ্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্যাস। ব্ৰহ্মচৰ্য মানে জ্ঞানৰ অৰ্জনৰ সময়ছোৱাক সূচায় যত গুৰুৱে বিদাৰ্থীসকলক বেদৰ মন্ত্ৰ, ঋষিসকলৰ প্ৰাৰ্থনা, উপনিষদৰ আধ্যাত্মিক স্তৰসমূহ, কৰ্ম কৰাৰ কৌশল, মনোধৰ্মৰ কৰ্ষণ আদিৰ উপদেশ প্ৰদান কৰে। গাৰ্হস্থ্যই বিশেষকৈ গৃহস্থী জীৱনৰ কৰ্তব্য আৰু সংসাৰত প্ৰৱেশ কৰাৰ কথা ব্যক্ত কৰে। ভাৰতীয় আদৰ্শ গৃহস্থীজীৱনৰ কৰ্তব্যৰ অন্তত বানপ্ৰস্থ আৰু সন্ন্যাসৰ বিধান দিয়া হৈছে। এই চাৰি আদৰ্শৰে ভাৰতীয় আদৰ্শৰে এজন মানুহ অনুপ্ৰাণিত হয়।

প্ৰশ্ন ৩.বৈৰাগ্য মানে কি ? ভাৰতীয় আদৰ্শত কেনেধৰনৰ বৈৰাগ্যৰ কথা কোৱা হৈছে?

উত্তৰঃ বৈৰাগ্য মানে ইন্দ্ৰিয় সংযম; পালেও নিৰাসক্ত হৈ থকাতহে প্ৰকৃত বৈৰাগ্য।

ভাৰতীয় আদৰ্শত বৈৰাগ্যৰ স্থান অতি উষ্চ। নথকাৰ ত্যগ আৰু নোপোৱা বস্তুৰ ওপৰত বিৰক্ত বা অসন্তোষ হৈ ওপজা বৈৰাগ্য প্ৰকৃত বৈৰাগ্য নহয়। নিষ্কৰ্মাৰ জিৰণি কথাটো যেনেকৈ অৰ্থহীন, লাগে লাগে কৈ হাবাথুৰি খাই নোপোৱাৰ পাছত বিৰক্তি ৰূপ বৈৰাগ্যৰ জীৱন যুজত পৰাজয় বৰণৰ তুল্য। প্ৰকৃততে বৈৰাগ্য এক বিশেষ মনোধৰ্ম।

প্ৰশ্ন ৪. গুৰুৱে শিক্ষাৰ্থীক অধ্যয়ন সমাপ্ত হোৱাৰ পিছত কি কি উপদেশ দিছিল?

উত্তৰঃ উপনিষদৰ যুগত শিক্ষা সাং কৰি গাৰ্হস্থ্য জীৱনত প্ৰবেশ কৰিবলৈ উলটিব খোজা বিদ্যাৰ্থীক গুৰুৱে এইদৰে উপদেশ দিছিল:-

বিদাৰ্থীসকলে, সত্য ক'ব লাগে আৰু ধৰ্ম আচৰন কৰিব লাগে। দৈনন্দিন অধ্যয়নৰ পৰা বিচ্যুত হ'বা নালাগে। আচাৰ্যক অভীষ্ট দক্ষিনা দি গৃহস্থাশ্ৰমত প্ৰবেশ কৰি বংশধাৰা অক্ষুন্ন ৰাখিব লাগে। সত্য, ধৰ্ম আৰু কল্যাণকৰ পথৰ পৰা বিচ্যুত হ'বা নালাগে। নিজৰ মংগলৰ কাৰণে কৰনীয় কামৰ পৰা আতৰি থাকিব নালাগে। ধন-সম্পত্তি সংগ্ৰহ ৰূপ মংগলজনক কাৰ্য কৰিব লাগে, কিন্তু ধৰ্মপথৰ পৰা বিচ্যুত নোহোৱাকৈ থাকিব লাগে। দেৱকাৰ্য আৰু পিতৃকাৰ্য বিষয়ত কেতিয়াও প্ৰমাদ গ্ৰন্থ হ'ব নালাগে। মাতৃক, পিতৃ আৰু আচাৰ্যক দেৱতাৰ দৰে মান্য কৰিব লাগে। যিবোৰ অনিন্দনীয় কাম সেইবোৰ কৰিব লাগে। ডাঙৰৰ যিবোৰ ভাল সেইবোৰ আচৰন কৰিব লাগে আৰু ডাঙৰৰ যিবোৰ বেয়া সেইবোৰ পৰিহাৰ কৰিব লাগে।

স্বোপাৰ্জিত ধন-সম্পদ কেনেকৈ আৰু কিভাবে দান কৰিব লাগে তাৰো উপদেশ গুৰুৱে দিছে এইদৰে-

'শ্ৰদ্ধয়া দেয়ম্, অশ্ৰদ্ধয়া অদেয়ম্, শ্ৰিয়া দেয়ম্, হ্ৰিয়া দেয়ম্, ভিয়া দেয়ম্, সংৱিদ্যা দেয়ম্।' অৰ্থাৎ শ্ৰদ্ধাৰে দান কৰিব লাগে, অশ্ৰদ্ধাযুক্ত মনলৈ 'নিদিলে নহয়' এনেভাবে কৰিলে কৰা নকৰাৰ সমান। শ্ৰিয়া অৰ্থ্যাৎ সামৰ্থ অনুসাৰে দিব লাগে। সলজ্জভাবে লোকৰ নিন্দাৰ ভয়ত মিত্ৰভাবে প্ৰেম ভাৱত থাকি দান দিব লাগে।

এনে আদৰ্শ পালনেৰে জীৱন সংগ্ৰামত প্ৰবৃতি হ'ব লাগে বুলি গুৰুৱে বিদ্যাৰ্থীক সোঁৱৰাই দিছে।

প্ৰশ্ন ৫.'ভাৰতীয় আদৰ্শত বৈৰাগ্য' পাঠটিৰ মূল কথাখিনি তোমাৰ ভাষাত লিখা।

উত্তৰঃ ‘ভাৰতীয় আদৰ্শত বৈৰাগ্য’ পাঠটিত ভাৰতীয় মানুহৰ জীৱন-যাপনৰ আদৰ্শ সুন্দৰভাবে ফুটি উঠিছে।

ভাৰতীয় সভ্যতা-সংস্কৃতিত এক আদৰ্শ নিহিত হৈ আছে আৰু এই আদৰ্শ গঢ়ি উঠিছে বেদক কেন্দ্ৰ কৰি। বেদকে ধৰি প্ৰাচীন গ্ৰন্থবোৰৰ পাতে পাতে পেৱা যায় কৰ্মৰ মন্ত্ৰ। ভাৰতীয় আদৰ্শত কৰ্মই ধৰ্ম। এই আদৰ্শই সিচঁৰিত হৈ আছে ভগবদ্‌গীতাত। প্ৰায়বোৰ ভাৰতীয় শাস্ত্ৰই একেধৰনৰ জীৱনদৰ্শনৰ নিৰ্দ্দেশ দিয়ে। পাঠটিত উপনিষদৰ উল্লেখেৰে কৰ্ম কৰাৰ কৌশল বা মনোধৰ্মৰ বিষয়ে আলোচনা কৰা হৈছে। কৰ্ম কৌশলবোৰ কৰ্ষন কৰাৰ কথা কোৱা হৈছে। ত্যাগ, বৈৰাগ্য, সত্য, ধৰ্ম আদিবোৰ হৈছে একো একোটা মনোধৰ্ম।

পাঠটোত থাকিও সংযতভাৱে ভোগ কৰা আৰু সংবিভাজনৰ দ্বাৰা সমৃদ্ধিৰ সদ্‌গতি ঘটোৱাৰ নাম প্ৰকৃত ত্যাগ বুলি অভিহিত কৰিছে। নথকাৰ ‘নেলাগে’ বোলা আৰু অজশ্ৰ থাকিও ‘নিদিলে নহয়’ ভাবত কৰা ত্যাগ প্ৰকৃত ত্যাগ নহয়। আনহাতে বৈৰাগ্য হ’ল ইন্দ্ৰিয় সংযম বা পালেও নিৰাসক্ত হৈ থকা। আকৌ `সত্য’ আৰু `ধৰ্ম’ হৈছে এনে দুই কৰ্ষণীয় গুণ যি সমাজ একোখন সূচাৰুৰূপে গঢ় দিয়াৰ বাবে প্ৰতিজন মানুহেই পালন কৰা উচিত। ত্যাগ, বৈৰাগ্য, সত্য, ধৰ্ম আদিৰ সাধনাই জীৱনাদৰ্শত ব্ৰতী হ’বলৈ এই পাঠটিত শিক্ষা দিয়ে।

উপনিষদৰ মতে ব্যক্তিৰ দায়িত্ব পৰিয়ালৰ পৰা সমাজলৈ বিস্তৃত। এই দয়িত্ব পালন কৰিবলৈ যাওঁতে নিৰাসক্ত হৈ কেৱল কৰ্ম কৰি যোৱা উচিত। প্ৰাচীন যুগত আচাৰ্যই শিষ্যক এনে উপদেশ দিছিল। বৰ্তমান সময়তো এনে আদৰ্শ অনুকৰনীয়, এই কথা আৰু উপদেশ পাঠটোত স্পষ্টকৈ ফুটি উঠিছে।